# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-02-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত দেশৰ মধ্যবিত্ত শ্ৰেণীক সকাহ দিয়াৰ লক্ষ্যৰে আৰু বৃহৎ অৰ্থনৈতিক সংস্কাৰৰ ঘোষণাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত দাখিল কৰা আজিৰ বাজেটত শিশু, মহিলা, কৃষক আৰু উদ্যমী সকলৰ কাৰণে বিশেষ প্ৰস্তাৱ ঘোষণা কৰাৰ লগতে কৃষি, চিকিৎসা, নিয়োগ, পৰ্যটন আদি বিষয়সমূহেও গুৰুত্ব লাভ কৰিছে। এইবাৰৰ বাজেটত ১০টা প্ৰধান ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই বাজেট বিকশিত ভাৰতৰ আকাংক্ষা পূৰণৰ উদ্দেশ্যে প্ৰস্তুত কৰাৰ লগতে বিকাশৰ বাবে সমৰ্পন কৰা হৈছে বুলি বিত্ত মন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে অহা ৫ বছৰত চৰকাৰে নিয়োগ সম্বন্ধীয় বিকাশৰ লক্ষ্য পূৰণ কৰাত সমৰ্থ হ'ব।

অহা সপ্তাহত নতুন আয়কৰ বিধেয়ক ঘোষণা কৰা হ'ব বুলিও বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে। বীমা খণ্ডত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ১০০ শতাংশলৈ বৃদ্ধি কৰা হ'ব বুলি প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনৈতিক সংস্কাৰৰ বাবে উচ্চস্তৰীয় কমিটী গঠন কৰাৰ বাবে প্ৰস্তাৱ দিয়ে।

পৰ্যটন ক্ষেত্ৰক এইবাৰৰ বাজেটত বিশেষ গুৰুত্ব দিয়া হৈছে। বাজেটৰ প্ৰতিলিপিত দেশৰ ৫০খন উল্লেখযোগ্য পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সৈতে বিশেষ চুক্তিও সম্পাদন কৰা হ'ব বুলি শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত কৃষিখণ্ডৰ উন্নয়ন আৰু কৃষকক উপকৃত কৰাৰ লক্ষ্যৰে বহুকেইখন নতুন আঁচনি ঘোষণা কৰা হৈছে। কিষাণ ক্ৰেডিট কাৰ্ডৰ সীমা ৫ লাখ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰি আজিৰ বাজেটত কৃষি উৎপাদন বৃদ্ধিৰ বাবে বিশেষ প্ৰস্তাৱ লোৱা হয়। কৃষকৰ উন্নয়নৰ লক্ষ্যৰে ১ কোটি ৭০ লাখ কৃষকলৈ ঋণ সুবিধা প্ৰদানৰ উদ্দেশ্যে জিলাসমূহত 'প্ৰধানমন্ত্ৰী ধন ধ্যান কৃষি যোজনা' আৰম্ভ কৰাৰ প্ৰস্তাৱো লোৱা হয়। দাইল উৎপাদনৰ ক্ষেত্ৰত দেশক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ চৰকাৰে ছবছৰীয়া অভিযান আৰম্ভ কৰিছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

দেশৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উন্নয়নৰ বাবে বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উদ্যোগীৰ বাবে এই বাজেটত ১০ হাজাৰ কোটি টকাৰ আঁচনিৰ লগতে মহিলা উদ্যোগীৰ বাবে বিশেষ আঁচনিৰ ব্যৱস্থা কৰা হৈছে। প্ৰথমবাৰৰ বাবে ব্যৱসায় আৰম্ভ কৰা ৫ লাখ মহিলা, অনুসূচিত জাতি আৰু জনজাতিৰ উদ্যোগীৰ বাবে ২ কোটি টকাৰ ঋণৰ ঘোষণাইও আজিৰ বাজেটত জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিছে। আজিৰ বাজেটত ষ্টাৰ্টআপ উদ্যোগীৰ বাবেও পূৰ্বৰ তুলনাত ঋণৰ পৰিমাণ বৃদ্ধি কৰি ২০ কোটি টকালৈকে ঋণ প্ৰদানৰ বিষয়ে প্ৰস্তাৱ লোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ এই বাজেটত আয়কৰ গাঁথনি সৰলীকৃত কৰাৰ বাবে বিত্তমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছে। মধ্যবিত্তৰ সকাহৰ বাবে আয়কৰ গাঁথনিত সংস্কাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰি

কাৰ্যকৰীভাৱে বাৰ্ষিক আয় ১২ লাখ টকালৈ আয়কৰ ৰেহাইৰ কথা ঘোষণা কৰা হৈছে। জ্যেষ্ঠ নাগৰিকসকলৰ কৰ ৰেহাই ৫০ হাজাৰ টকাৰ পৰা ১ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

জনসাধাৰণৰ স্বাস্থ্য সুনিশ্চিত কৰিবলৈ দেশৰ স্বাস্থ্য খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰি জীৱনদায়িনী ৩৬বিধ ঔষধৰ ক্ষেত্ৰতো কৰ ৰেহাই দিয়া হ'ব বুলি বিত্তমন্ত্ৰীয়ে ঘোষণা কৰে। ২০২৫ চনৰ ভিতৰত দেশৰ সকলোবোৰ জিলা হাস্পতালত দুহেজাৰটা কৰ্কট কেন্দ্ৰ স্থাপন কৰা হ'ব। চিকিৎসা মহাবিদ্যালয়সমূহত ১০ হাজাৰ অতিৰিক্ত আসনৰ ব্যৱস্থা কৰা হ'ব বুলিও বাজেটত উল্লেখ কৰে। দেশত দুহেজাৰটা দিনৰ ভাগত শিশুৰ পৰিচৰ্যা কেন্দ্ৰ স্থাপন কৰা হ'ব বুলিও বিত্তমন্ত্ৰীয়ে বাজেটত ঘোষণা কৰে।

দেশৰ পাঁচখন আই আই টিৰ সক্ষমতা বৃদ্ধিৰ বাবেও লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত নামৰূপত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন ইউৰিয়া উৎপাদনৰ লক্ষ্যৰে নতুনকৈ ইউৰিয়া প্ৰকল্প স্থাপনৰ বিষয়ে ঘোষণা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বাজেটৰ এই প্ৰস্তাৱক আদৰণি জনাই এই প্ৰকল্প ৰাজ্যৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে লাভদায়ক হ'ব বুলি প্ৰকাশ কৰে। সাৰৰ লগতে এই প্ৰকল্পই প্ৰাকৃতিক গেছৰ সদ্ব্যৱহাৰৰ ক্ষেত্ৰতো সহায় কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয় অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° বিপুল কুমাৰ ৰাভা, ষ্টাৰ্ট আপ উদ্যামী প্ৰণৱ তালুকদাৰ আৰু নবীন উদ্যোগী ভাস্কৰজ্যোতি হালৈয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাত জাগীৰোড-মৰিগাঁও সংযোগী ৭১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা ৭৩ কোটি টকা ব্যয়সাপেক্ষে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে নিৰ্মাণ কৰা কপিলী নৈৰ দলংখন মুকলি কৰে। এই দলংখনে মৰিগাঁও জিলাৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাত প্ৰভূত পৰিৱৰ্তন আনিব বুলি ড° শৰ্মাই আস্থা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ নিকটৱৰ্তী এখন উদ্যোগিক পামৰ নিৰ্মাণকাৰ্যৰো আজি শুভাৰম্ভ কৰে। প্ৰায় ৬০০ বিঘা ভূমিত স্থাপন হ'বলগীয়া এই উদ্যোগিক পামত চিকিৎসালয়, হোটেলকে ধৰি সেৱা ব্যৱস্থাৰ উদ্যোগৰ লগতে অন্যান্য উদ্যোগো স্থাপন কৰা হ'ব।

০০০০০০০

**সমাপ্ত**